**3 (Sem–1/CBCS) ASM HC 2**

**2 0 2 1**

( Held in 2022 )

ASSAMESE

( Honours )

Paper : ASM–HC–1026

**( History of Assamese Literature )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) ভট্টদেৱৰ প্ৰকৃত নাম কি ?

(খ) ভৱানীপুৰীয়া গোপালদেৱে ৰচনা কৰা এখন নাটৰ নাম লিখা।

(গ) সুকুমাৰ বৰকাথে হাতীৰ চিকিৎসা সম্পৰ্কে ৰচনা কৰা পুথিখনৰ নাম কি ?

(ঘ) আহোম যুগৰ শ্ৰেষ্ঠ কবিজনৰ নাম কি ?

(ঙ) ‘তুংখুঙীয়া বুৰঞ্জী’ৰ ৰচক কোন ?

(চ) 'অৰুণোদই' কাকত কিমান চনত প্ৰকাশ হৈছিল ?

(ছ) ডক্টৰ নাথান ব্ৰাউনে অসমীয়া ভাষাৰ বিষয়ে ইংৰাজীত ৰচনা কৰা ব্যাকৰণ পুথিখনৰ নাম কি ?

(জ) 'অৰুণোদই'ৰ সমকালীন এখন অসমীয়া বাতৰি কাকতৰ নাম লিখা।

(ঝ) 'চাহপৰী উপাখ্যান'ৰ ৰচক কোন ?

(ঞ) 'হেমকোষ' কিমান চনত প্ৰকাশ হৈছিল ?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) শংকৰোত্তৰ কালৰ অসমীয়া সাহিত্যৰ দুটা বৈশিষ্ট্য লিখা।

(খ) ভট্টদেৱে গদ্যত ৰচনা কৰা দুখন পুথিৰ নাম লিখা।

(গ) পদ্যত ৰচনা কৰা দুখন বুৰঞ্জীৰ নাম লিখা।

(ঘ) অৰুণোদই যুগৰ দুজন অখৃষ্টীয়ান লেখকৰ নাম লিখা।

(ঙ) প্ৰথম অসমীয়া সামাজিক নাটখনৰ নাম কি ? ইয়াৰ ৰচক কোন ?

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) শংকৰোত্তৰ কালৰ অসমীয়া নাট

(খ) বুৰঞ্জীৰ গদ্য



03/10/202

(গ) এ. কে. গাৰ্নিৰ সাহিত্যকৃতি

(ঘ) অসমীয়া ভাষা সাহিত্যলৈ আনন্দৰাম ঢেকিয়াল ফুকনৰ অৱদান

(ঙ) ঊনবিংশ শতিকাৰ শেষ কালছোৱাৰ অসমীয়া ভাষা-সাহিত্যৰ কাণ্ডাৰীৰূপে গুণাভিৰাম বৰুৱাৰ অৱদান

(চ) শংকৰোত্তৰ যুগৰ অসমীয়া ৰামায়ণী সাহিত্য

৪। শংকৰোত্তৰ কালৰ অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতি সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

অসমীয়া চৰিত পুথিৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

৫। অসমীয়া ৰামায়ণী সাহিত্যলৈ ৰঘুনাথ মহন্তৰ অৱদান সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

আহোম যুগত ৰচিত ব্যৱহাৰিক পুথিসমূহৰ এটি ৰূপৰেখা দাঙি ধৰা।

৬। প্ৰাক্-অৰুণোদই যুগৰ যি কোনো দুগৰাকী লেখকৰ বিষয়ে আলোচনা কৰা। ১০

*অথবা*

"যুক্তৰাষ্ট্ৰৰ এই মিছনেৰী দম্পতিৰ দান অসমীয়াই চিৰকাল স্মৰণ কৰিব।" এই মন্তব্যৰ আধাৰত যুক্তৰাষ্ট্ৰৰ নাথান ব্ৰাউন দম্পতিৰ স্মৰণীয় অৱদানসমূহৰ বিষয়ে আলোচনা কৰা।

৭। অসমীয়া সমাজ, সাহিত্যলৈ খৃষ্টান মিছনেৰীসকলৰ অৱদান সম্পৰ্কে আলোচনা কৰা। ১০

অথবা

হেমচন্দ্ৰ বৰুৱাৰ জীৱন আৰু সাহিত্য-সাধনা সম্পৰ্কে এটি নাতিদীৰ্ঘ নিবন্ধ যুগুত কৰা।

★★★



03/10/2023